# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৩ চেপ্তেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**এটা হীৰা আছিল যি আমাৰ পৰা হেৰাই গ'ল মৰমৰ ছৈয়দ তালে আহমদ শ্বহীদৰ গুণাৱলীৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা কেইদিন মান আগত আমাৰ এজন অতি মৰমৰ ল'ৰা আৰু ওৱাকফে জিন্দেগী আজিজম ছৈয়দ তালে আহমদ ইবনে ছৈয়দ হাশিম আকবৰ চাহাব ঘানাত শ্বাহাতত বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। ২৩ আৰু ২৪ আগষ্টৰ মাজৰ ৰাতিটোত এম,টি,এৰ তিনিজনীয়া টিম এটা ঘানাৰ নৰ্থ ৰেজিয়নত ৰেকৰ্ডিং কৰি কমাছিলৈ আহি আছিল। এনেতে ৭ বাজি ১৫ মিনিটত বাটতে ডকাইতৰ দল এটাৰ গুলীচালনাত আজিজম ছৈয়দ তালে আহমদ আৰু উমৰ ফাৰুক চাহাব গুৰুতৰ ভাৱে আহত হয়।

ছৈয়দ তালে আহমদ মহতৰমা আমতুল লতিফ বেগম চাহিবা আৰু ছৈয়দ মীৰ মহম্মদ আহমদ চাহাবৰ জীয়েকৰ ফালৰ পৰা সম্পৰ্কত নাতিয়েক আছিল। আনফালে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)ৰ পৰনাতি আৰু হজৰত ডাক্তৰ মীৰ মহম্মদ ইছমাইল চাহাব (ৰাঃ)ৰ পুতেকৰ ফালৰ পৰা পৰপৌত্ৰ আছিল। ইফালে হজৰত মীৰ মহম্মদ ইছমাইল চাহাব (ৰাঃ) হজৰত আম্মাজান নুচৰত জাহা বেগম চাহিবা (ৰাঃ)ৰ ভাইটি আছিল। এই ফালেৰে বংশানুক্ৰমিক হিচাপে হজৰত আম্মাজান (ৰাঃ)ৰ বংশধৰ আছিল। আকৌ হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)ৰ ফালেৰে গৈ হজৰত মছীহ মাওউদ (আঃ)ৰ সম্পৰ্কীয় হয়। মৰহুম মিৰ্জা গোলাম কাদিৰ শ্বহীদ চাহাবৰ জোৱাই আছিল। আল্লাহ তা'লাৰ কৃপাত মৰহুম মুচি আছিল আৰু তেহেৰিকে ওৱাকফে নও ৰ অন্তৰ্ভুক্ত আছিল।

মৰহুম তালে আহমদ চাহাবে বায় মেডিকেল ছাইন্চত ডিগ্ৰি লোৱাৰ পিছত জৰ্নালিজমত মাষ্টাৰ ডিগ্ৰি লৈছিল। ২০১৩ চনত ওৱাকফে জিন্দেগীত চামিল হৈ বিভিন্ন দফতৰত কাম কৰাৰ পিছত ২০১৬ চনত এম,টি,এ আৰু নিউজ চ্যানেলত নিযুক্তি লাভ কৰে। ইয়াতে মৰহুমে দস্তাবেজ ফিল্ম বনোৱা আৰু সাপ্তাহিক প্ৰোগ্ৰাম This week with Huzur ৰ কাম চলায়। নিজৰ স্থানীয় জমাত আৰু খুদ্দামুল আহমদীয়াৰ জৰিয়তে দ্বীনি

খিদমত আগবঢ়াইছিল।

আজিজম তালে আহমদ চাহাব সদায় নিজৰ কাম উচ্চ মানদণ্ড অনুযায়ী সম্পাদন কৰাৰ বাবে অসাধাৰণ উৎসাহী আছিল, যাৰ ফলত তেওঁ কোনো ধৰণৰ সংগঠিত হ'ব পৰা বিপদলৈ ভ্ৰূক্ষেপ কৰা নাছিল। তেওঁৰ শ্বাহাদতৰ ঘটনাৰ পৰা এয়াই পৰিলক্ষিত হয়। সেই দিনাখন টমালেৰ জোনেল মিচনাৰী চাহাবে তালে চাহাবক ৰাতিত যোৱাটো সতৰ্কতা অৱলম্বন কৰাৰ পৰামৰ্শ দিছিল,কিন্তু এওঁ সময় কম আৰু বহুত কাম বাকী থকাৰ কাৰণে ৰাতিয়েই ওলাই পৰিছিল। জমাতি সম্পদ আৰু সময়ৰ ওপৰত ইমানেই গুৰুত্ব দিছিল যে বাটত আহি থাকোতেই লেপটপত নিজৰ কাম কৰি গৈছিল আৰু Mpaha জংচনৰ ওচৰত ডকাইতৰ দল এটাই গাড়ীলৈ গুলীচালনা কৰিছিল। তালে চাহাবৰ কঁকালত গুলী লাগিছিল আৰু অতিমত্ৰা তেজ ববলৈ আৰম্ভ কৰে। প্ৰথমে পুলি কলিঙত প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰা হয়; তাৰ পিছত টমালৈ টেছিং চিলিৎসালৈ লৈ যোৱাৰ বাটত ঘটনা ঘটাৰ ৪ ঘণ্টা ৩০ মিনিট পিছত তালে চাহাবৰ মৃত্যু হয়।

উমৰ ফাৰুক চাহাবে কয় যে আহত অৱস্থাত তালে আহমদৰ মূৰটো মোৰ উৰুৰ ওপৰত আছিল আৰু তেওঁ বাৰে বাৰে মোক এয়াই সুধিছিল যে আমাৰ এই ঘটনা সম্পৰ্কে হুজুৰ আনোৱাৰ (আইঃ)ক খবৰ দিয়া হৈছেনে নাই। অতিমাত্ৰা তেজ বৈ যোৱা আৰু অপৰিসীম কষ্ট  পোৱা সত্ত্বেও চিকিৎসালৈ যোৱাৰ বাটতে তেওঁ নিজৰ লগৰীয়া সকলক কৈছিল যে গুলীবৰ্ষণৰ সময়ত মই লেপটপ আৰু আন আন মূল্যবান বস্তুবোৰ গাড়ীৰ পিছৰ অংশত তলত থকা ঠাইলৈ ঠেলি দিছো; সেইবোৰ তাতেই  আছে; উলিয়াই আনিবা। ইমান গুৰুতৰ বাবে আঘাত হোৱা সত্ত্বেও তেওঁ জমাতী সম্পদ আৰু নথি-পত্ৰ নিৰাপদ ৰখাৰ চিন্তা কৰিছিল। উমৰ ফাৰুক চাহাবে কয় যে তালে চাহাবে বাটতে বাৰে বাৰে মোক কৈছিল- Tell Huzur that I love him and tell my family that I love them.

হুজুৰ  আনোৱাৰ (আইঃ)য়ে কয় যে এটা হীৰা আছিল; যি আমাৰ পৰা হেৰাই গ'ল। আল্লাহ তা'লা জমাতক খিলাফতৰ বিশ্বাসী আৰু দ্বীনক প্ৰাধান্য দিওঁতা লোক দান কৰি থাকক। কিন্তু তাক হেৰুৱাটো ইমানেই লোকচান হ'ল; যিয়ে সকলোকে কঁপাই তুলিছে। তেওঁ ওৱাকফেৰ গূঢ়াৰ্থ বুজি পোৱা আৰু নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰোঁতা অতি চেনেহৰ ব্যক্তি আছিল। তেওঁক দেখি মোৰ আচৰিত লাগিছিল আৰু এতিয়াও লাগে যে এই জাগতিক পৰিৱেশত ডাঙৰ দীঘল হোৱা ল'ৰা জনে ওৱাকফৰ অৰ্থ বুজি পাইছিল আৰু সেয়া পালন কৰিছিল, আৰু সেয়া লৈ গৈ চৰম শীৰ্ষত উপনীত কৰিছিল। তেওঁ বুজুৰ্গ লোকৰ গুণমান বিশিষ্ট ঘটনা সম্পৰ্কে পঢ়িছিল আৰু সেইবোৰ জীৱনৰ অংশ বনাই লৈছিল। খিলাফতৰ সৈতে বিশ্বস্ততা আৰু একাগ্ৰতাৰ এনেকুৱা দৃষ্টান্তপূৰ্ণ জ্ঞান অইন কোনো দ্বীনি আলিমেও বুজি নাপায়। তেওঁ খিলাফতৰ সৈতে বিশ্বস্ততা অটুট ৰাখি চলিছে আৰু এনেকুৱা আনুগত্য কৰিছে যে জীৱন মৰণৰ সৈতে যুঁজি থকা অৱস্থাতও তেওঁৰ খলিফা ওয়াক্তৰ ভালপোৱা আৰু আনুগত্যৰ কথাই মনত উদয় হৈছিল। নিজৰ সন্তান আৰু নিজৰ পৰিয়ালৰ সকলোকেই মনত পেলাইছিল। কিন্তু প্ৰত্যেক বাৰেই নিজৰ সন্তান আৰু পৰিয়ালৰ আগতে খলিফা ওয়াক্তৰ মৰমৰ কথা প্ৰকাশ কৰিছিল। সম্ভৱত দুই তিনি বছৰ আগতে তেওঁ খিলাফতৰ সৈতে সম্পৰ্ক আৰু প্ৰেম সম্বন্ধীয় এটা গজল (নজম) লিখিছিল। যিটো তেওঁ তাৰ এজন বন্ধুক দিছিল আৰু কৈছিল যে এয়া নিজৰ ওচৰত ৰাখি যোৱা আৰু কাকো নেদেখুৱাবা। সেই গজলৰ আৰম্ভণী পংক্তি আছিল এনেদৰে মই খলিফা ওয়াক্তক সকলোতকৈ ভাল পাওঁ আৰু সেয়া তেখেতে কেতিয়াও গম নাপায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় হে প্ৰিয় তালে ! তোমাৰ এই শেষ শব্দবোৰ মই আগতেই জানিছিলো;

তোমাৰ প্ৰত্যেকটো আমল,প্ৰত্যেক অনন্য ধৰণৰ উজ্বলতাৰ পৰা সেই প্ৰেমৰ স্ফুলিংগ বহিৰ্ভূত হৈছিল। মই সম্ভৱত কোনোবাৰ মাজত এনে প্ৰেমৰ বহিপ্ৰকাশ দেখিবলৈ পাইছো নে নাই।

তেওঁৰ নিজৰ কামৰ প্ৰতি আগ্ৰহ আছিল যদি সেয়া এই কাৰণেই আছিল যে তেওঁ যেন ইয়াৰ জৰিয়তে ইছলাম আৰু মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ দ্বীনক ৰক্ষণা-বেক্ষণ কৰিব পাৰে। হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)ৰ দফন কাৰ্য্যৰ সময়ত মৰমৰ তালে চাহাব মোৰ সোফালে আহি থিয় দিছিল। মই তেওঁক চিনি পোৱা নাছিলো যে এওঁ কোনে আহি থিয় দিছে। সেই সময়তে কিজানি এই ১৩ বছৰীয়া ল'ৰাজনে মনে মনে শপত লৈছিল যে মই খলিফা ওয়াক্তৰ সহায়ক হ'ব লাগিব। তেওঁ শিক্ষা সাং কৰি বহু বছৰ পিছত আহি সেই শপত পালন কৰিছে আৰু খুবেই উত্তমৰূপে পালন কৰিছে আৰু শ্বহীদ হৈ জনাই দিলে যে মই খিলাফতৰ প্ৰকৃত সহায়ক।

হে মৰমৰ তালে ! মই সাক্ষী দিওঁ যে নিশ্চয় তুমি নিজৰ ওয়াকফে আৰু পদৰ শীৰ্ষতম মানদণ্ড অৰ্জন কৰি দেখুৱাইছা। খলিফা ওয়াক্তৰ মুখেৰে নিৰ্গত শব্দবোৰৰ ওপৰত তেওঁ কেনেদৰে আমল কৰিবলৈ চেষ্টা কৰিছিল; তাৰ এটা ধাৰণা আমি ইয়াৰ পৰা ল'ব পাৰি যে মই কিছুমান মিটিংত মুৰববীয়ান সকলক কৈছিলো যে মুৰববী সকলে কমপক্ষে এক ঘণ্টা সময় তাহাজ্জুদ পঢ়িবলৈ চেষ্টা কৰা উচিত। প্ৰিয় তালে চাহাবে সেই আদেশৰ ওপৰত আমল কৰিবলৈ চেষ্টা আৰম্ভ কৰিছিল।

প্ৰিয় তালে আহমদ চাহাবৰ বংশ হজৰত মছীহ মাওউদ (আঃ)ৰ বংশধৰ হোৱা হেতুকে বংশটোৰ বাবেও আনুগত্য আৰু নিষ্ঠাৰ এক আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল। এওঁ ওয়াকফে জিন্দেগী সকলৰ বাবেও এক আশ্চৰ্যজনক দৃষ্টান্ত স্থাপন কৰি গৈছে। তেওঁ আৰ্থিক অনাটন অথবা এলাউঞ্চ কম হোৱা বুলি কেতিয়াও অভিযোগ কৰা নাছিল। তেওঁ খোদা তা'লাৰ ওচৰত এয়াই দোৱা কৰিছিল যে হে আল্লাহ ! মোক অভাৱগ্ৰস্ত নবনাবা ! হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে মই তাৰ আনুগত্য সম্পৰ্কে অলপ জানিছিলো কিন্তু তাৰ নেকি আৰু তাকৱাৰ মান বহু উৰ্দ্ধত আছিল।

আমৰ ছফিৰ চাহাবে কয় যে মই নিজ চকুৰে দেখিছো যে তালে চাহাব বহুতো গুণাৱলীৰ অধিকাৰী আছিল। তেওঁ কোনো এটা প্ৰজেক্টৰ কাম আৰম্ভ কৰিলে সেয়া লেখত ল'বলগীয়া বস্তু হিচাপে থিয় কৰাই দিছিল। কদ্দুছ আৰিফ চাহাব (ছদৰ খুদ্দামুল আহমদীয়া ইউ,কে) কয় যে সৰুৰে পৰাই তালে আহমদৰ সৈতে মোৰ সম্পৰ্ক আছিল। মই জানো যে তালে চাহাবে হজৰত মালিক গোলাম ফৰিদ চাহাবৰ শৰ্ট কমেণ্ট্ৰি আৰু ফাইব বলিউম কমেণ্ট্ৰি বিলাক বৰ মনোযোগেৰে আৰু বিতং ভাৱে পঢ়িছিল। পত্নী ছাতুত চাহিবায় কয় যে আঁ-হজৰত (ছাঃ)ৰ প্ৰতি এখেতৰ ইমানেই মহববত আছিল যে আঁ-হজৰত (ছাঃ)ৰ বিষয়ে কোনো বৰ্ণনা শুনিলেই এখেত কেচুৱাৰ দৰে কান্দি উঠিছিল। নিজ পুত্ৰ তালালক আঁ-হজৰত (ছাঃ)ৰ বেদনাপূৰ্ণ কাহিনী শুনোৱাৰ সময়ত চকুলো টুকিছিল। পুতেকে ক্ৰিচ্ছন স্কুলত পঢ়িছিল, তেওঁক স্কুললৈ লৈ যোৱাৰ সময়ত ছুৰা ইখলাছ বাৰে বাৰে পঢ়াই পঢ়াই লৈ গৈছিল। কেতিয়াবা যদি এয়া ধাৰণা কৰিছিল যে খলিফা ওয়াক্তই কোনো বিষয় অপছন্দ কৰিছে তেন্তে তাহাজ্জুদ নমাজত হোক হোকাই আল্লাহ তা'লাৰ ওচৰত ক্ষমা বিচাৰিছিল। আল্লাহ তা'লাৰ ওপৰত বৰ অসাধাৰণ ভৰসা ৰাখিছিল আৰু খোদা তা'লাও তাৰ অভাৱ মোচন কৰি দিছিল।

শ্বহীদ তালে আহমদৰ দেউতাকে লিখিছে যে আলহামদুলিল্লাহ ! খোদা তা'লাই আমাৰ পুত্ৰক শ্বাহাদতৰ বাবে বাছি লৈছে। তাৰ ৰূহ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰেমত বিভোৰ হৈ চৈধ্য শ বছৰ আগতে মক্কা আৰু মদিনাৰ বাটে বাটে ঘূৰি ফুৰিছিল আৰু তাৰ শৰীৰ আছিল পকিৰে আশিক (প্ৰেম আপ্লুত), শ্বহীদ মৰহুমৰ মাকে কয় যে পুত্ৰৰ মৃত্যুৰ

পিছত মই উপলব্দি কৰিব পাৰিছো যে তেওঁ আপোনাক (হুজুৰক) কিমান ভাল পাইছিল। মৰহুম তালে চাহাবৰ বান্ধৱী নুদৰত চাহিবায় কয় যে তালেৰ ধৰ্ম সম্পৰ্কে জ্ঞান ভাণ্ডাৰ বৰ বহল আছিল। হাদীছবিলাক গভীৰ ভাৱে অধ্যয়ন কৰিছিল। আৰবী ভাষা আৰু ইয়াৰ ব্যাকাৰণৰ জ্ঞান লাভাৰ্থে সদায় চেষ্টা কৰি গৈছিল। তেওঁ মগজু সম্পৰ্কীয় সকলো দক্ষতা খোদা তা'লাৰ সান্নিধ্য লাভাৰ্থে আৰু জমাতৰ খিদমতৰ বাবে ব্যৱহাৰ কৰিছিল। তালে আহমদ এই শ্বাহাদত সম্পৰ্কে সপোনও দেখিছিল যে তেওঁ খুদ্দামুল আহমদীয়াৰ কাপোৰ পিন্ধিছে আৰু পতাকা হাতত লৈ জান্নাতত প্ৰৱেশ কৰি আছে আৰু প্ৰত্যেকেই তাক তাৰ শশুৰৰ নাম ধৰি মাতি আছে যে মিৰ্জা গোলাম কাদিৰ আহি গৈছে। মৰহুমৰ সৰু ভণ্টিয়ে কয় যে ভাইজান এজন নিয়মানুবৰ্ত্তিতা মানি চলা লোক আছিল। দফতৰলৈ অহা যোৱা কৰাৰ সময়ত সদায় হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)ৰ ৰদছুল কোৰ-আন শুনিছিল। আবদে ওয়াহেদ চাহাবে কয় যে মই বেছি ভাগ সময়ে তালে আহমদক দস্তাবেজি ফিল্ম বনোৱাৰ সময়ত তাক ১৮/১৯ ঘণ্টা কাম কৰোঁতে দেখিছো। মিৰ্জা তালহা আহমদ চাহাবে কয় যে তালে আহমদ স্কিৰিপ ৰাইটিং আৰু STORY TELLING ত অভিজ্ঞ আছিল। নছিম বাজওৱা চাহাবে কয় যে তালে আহমদক এজন মোবাল্লিগ হিচাপে ছাত্ৰ অৱস্থাৰ পৰাই দেখি আহিছো তেওঁ সময়ৰ পাবন্ধ,মেধাবী,দ্বীনি জ্ঞান অন্বেষী, ফৰমাবৰদাৰ, অতিথি আলপৈচানকাৰী, জিকৰে ইলাহিত মগ্ন,ডাঙৰক সন্মান কৰা আৰু চিন্তাশীল লোক আছিল। মুৰববী ছিলছিলা নওশেৰৱান ৰশিদ চাহাবে কয় যে মই তালে ভাইজানক তিনি বছৰ ধৰি নিয়মিত ভাৱে বৃহস্তপতিবাৰে নফল ৰোজা ৰখা দেখিছিলো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে শ্বহীদ তালে আহমদ আঁ-হজৰত (ছাঃ) আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ দৈহিক আৰু আধ্যাত্মিক উত্তৰাধিকাৰী হোৱাৰ অধিকাৰ পূৰ্ণ কৰি দিছে। তেওঁ হুজুৰ পাক (ছাঃ)ৰ বংশধৰৰ পৰাই আহিছিল আৰু আল্লাহ তা'লা তাক মহৰম মাহতেই কোৰবাণী হ'বলৈ বাছি লৈছে। আশা কৰো আল্লাহ তা'লাই তাক আঁ-হজৰত (ছাঃ)ৰ শ্ৰীচৰণত ঠাই দিছে। কোনোবা এজনে সপোনতও দেখিছে যে আঁ-হজৰত (ছাঃ)য়ে এঠাইত থিয় হৈ আছে আৰু তালে আহমদে দৌৰি গৈ তেখেত (ছাঃ)ৰ গাত লাগি গৈছে। আঁ-হজৰত (ছাঃ)য়েও তাক সাৰটি ধৰি কৈছে- আহা মোৰ পুত্ৰ, ধন্যবাদ-

হুজুৰ আনোৱাৰ (আইঃ)য়ে নমাজে জানাজা উপস্থিত পঢ়াৰ ঘোষণা কৰি দোৱা কৰে যে আল্লাহ তা'লা মৰহুমৰ সন্তান-সন্ততিৰ সহায়ক হওঁক,মাক দেউতা,ভাই ভনী, সকলক ধৈৰ্য আৰু সাহস দান কৰক। মৰহুমৰ ভাই ভনী, আৰু সন্তান সকলে তাৰ নেকি বজায় ৰাখোতা হওঁক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**